# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - -**

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত আজি পুৱা ৭ বজাৰে পৰা লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি দিনৰ ৫ বজা পৰ্যন্ত সমগ্ৰ দেশত ৬২ দশমিক ৩-১ শতাংশৰো অধিক ভোটদান সম্পন্ন হৈছে। অন্ধ্ৰ প্ৰদেশত ৬৮ শতাংশৰ অধিক, বিহাৰত ৫৪ শতাংশৰ অধিক, জম্মু-কাশ্মীৰত প্ৰায় ৩৬ শতাংশ, ঝাৰখণ্ডত ৬৩ দশমিক ১-৪, মধ্যপ্ৰদেশত ৬৮ শতাংশ, মহাৰাষ্ট্ৰত ৫২ দশমিক ৪-৯, ওড়িশাত ৬২ দশমিক ৯-৬, তেলেংগানাত ৬১ দশমিক ১-৬, উত্তৰ প্ৰদেশত ৫৬ দশমিক ৩-৫ আৰু পশ্চিম বংগত ৭৫ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। নিৰ্বাচন আয়োগে ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে তেলেংগানাত ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষে ভোটদানৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আজি ভোটগ্ৰহণ হোৱা ৯৬টা সমষ্টিৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। চতুৰ্থ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱ, কংগ্ৰেছ নেতা অধিৰৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, শত্ৰুঘ্ন সিনহা আৰু এ আই এ এমৰ আছাদুদ্দিন ওৱেছি অন্যতম।

চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ১ লাখ ৯২ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ১৯ লাখৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে।

ooooo

কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁক কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত দেশৰ চতুৰ্থ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল। সমাজত প্ৰচলিত কু-সংস্কাৰ, ডাইনী প্ৰথাৰ বিৰুদ্ধে দুই দশকৰো অধিক কাল যুঁজ দি অহা বিৰুবালা ৰাভা সমাজৰ একাংশ লোকৰ অন্যায়ৰ বলি হোৱা নিৰীহ লোকসকলৰ বাবে **সাহৰ শিখা, সকাহৰ অন্য নাম** আছিল। ১৯৫৪ চনত গোৱালপাৰা জিলাৰ ঠাকুৰভিলাত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰগতিকামী মহিলাই সমাজত প্ৰচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে আজীৱন প্ৰচেষ্টা চলাইছিল।

আজি বিয়লি ৰাভাৰ নশ্বৰদেহ বাসগৃহলৈ অনাৰ পথত দুধনৈৰ পৰিদৰ্শন বঙলাত ৰাভা-হাছং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজহুৱা শশ্মানত অসম চৰকাৰৰ হৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু গোৱালপাৰা জিলাৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে তেওঁক শেষ শ্ৰদ্ধা জনায়। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিৰুবালা ৰাভাৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি সামাজিক মাধ্যম যোগে শোকবাৰ্তা প্ৰেৰণ কৰিছে।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ৩১ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। পূৰ্বে উদ্যান কৰ্তৃপক্ষই ১৫ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনৰ জীপ চাফাৰী বন্ধ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছিল যদিও পাছত পৰ্যটকৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ৩১ মে' পৰ্যন্ত এই সময়সীমা বৃদ্ধি কৰা হয়। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। উল্লেখযোগ্য যে ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

আনহাতে, মানাহ ৰাষ্ট্ৰীয় উদ্যানতো পৰ্যটকৰ বাবে অহা ২০ মে'ৰ পৰা হাতী চাফাৰী আৰু ৰিভাৰ ৰাফ্‌টিং বন্ধ থাকিব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। অৱশ্যে জীপ চাফাৰী অহা ৫ জুনলৈকে খোলা থাকিব।

ইফালে, ওৰাং ৰাষ্ট্ৰীয় উদ্যানো অহা ১৫ মে'ৰ পৰা পৰ্যটকৰ বাবে বন্ধ ঘোষণা কৰা হৈছে।

০০০০০

তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী শদিয়াত শদিয়া আৰক্ষীৰ পৰিদৰ্শন পেৰেড আয়োজন কৰা হৈছে। চপাখোৱা চৰকাৰী খেলপথাৰত এই পৰিদৰ্শন পেৰেড অনুষ্ঠিত হয়। শদিয়াৰ আৰক্ষী অধীক্ষক জগদীশ দাসৰ লগতে শদিয়া আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই এই পেৰেড কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ ৬৬ সংখ্যক জন্ম তিথিৰ সৈতে সংগতি ৰাখি পৰহি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত এক অভিনন্দন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত সদৌ অসম ভাওনা সন্মিলনৰ সভাপতি জয়ন্ত কুমাৰ ডেকাই কয় যে, এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ ৬৬ গৰাকী বৰেণ্য ব্যক্তি তথা গুৱাহাটীৰ কেইবাটাও পুৰণীকলীয়া নামঘৰ অনুষ্ঠানৰ লগতে মহানগৰীৰ ১০৮টা দিহানামৰ দলক অভিনন্দন জনোৱা হ'ব। সত্ৰৰ শিল্পীসকলৰ দ্বাৰা পৰিবেশিত মাটি আখৰাৰে আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত এক সহস্ৰাধিক আয়তীৰ দ্বাৰা দিহানাম পৰিবেশনৰ লগতে গীতি, নৃত্য-নাটিকা, কৃষ্টিৰ বৰঘৰ মাজুলী মঞ্চস্থ কৰা হ'ব।

০০০০০

সমাপ্ত